দৈনিক গণ অধিকাৰ
Date: 02/03/2023
Page No: 08

# কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ত ছাত্ৰ দিৱস উদ্‌যাপন

গুৱাহাটী, ১ এপ্ৰিল ঃ বড়ো জাতিৰ পিতৃ স্বৰূপ বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মদেৱৰ ৬৭ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰাংগনত আজি এক বৰ্ণাঢ্য কাৰ্যসূচীৰে ছাত্ৰ দিৱস উদ্‌যাপন কৰা হয়। ৰাতিপুৱা ৯.৩০ বজাত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰা হয় লগতে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে। দুপৰীয়া ১ বজাত দিৱসৰ লগত সংগতি ৰাখি এখনি শৈক্ষিক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰখনিত আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মালবিকা বাগলাৰীয়ে। আলোচনা চক্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা নয়নমণি দেৱীয়ে। সঞ্চালকৰ আসন অলংকৃত কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক আব্দুল কুদ্দুছ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ফখৰুল আলম। জাতি গঠনত ছাত্ৰৰ ভূমিকা সম্পৰ্কে এক বিশদ আলোচনা কৰা হয়। আলোচক আব্দুল কুদ্দুছে ছাত্ৰ কিদৰে সুনাগৰিক তথা দায়িত্বশীল হ'ব লাগে, জ্ঞানৰ জৰিয়তেহে নিজকে কিদৰে বিকশিত কৰিব পাৰি ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰত এক বিশদ আলোচনা আগবঢ়ায়। আলোচক ড° ফখৰুল আলমে কয় যে জাতি গঠনত ছাত্ৰ-ছাত্ৰীয়ে আটাইতকৈ ডাঙৰ ভূমিকা পালন কৰে। ছাত্ৰৰ ব্যক্তিত্ব বিকাশত সাহস তথা জ্ঞানে এক বিশেষ প্ৰভাৱ পেলায় বুলিও তেখেতে উল্লেখ কৰে। সঞ্চালকৰ আসনৰ পৰা অধ্যক্ষ ড° ছাহজাহান আলী আহমেদেও জাতি গঠনত ছাত্ৰ-ছাত্ৰীৰ এক বিশেষ অৱদান থকাৰ কথা উল্লেখ কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক/অধ্যাপিকাৰ লগতে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মালবিকা বাগলাৰীয়ে।